**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-06-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। ভাৰতে সিন্দূৰ অভিযানৰ জৰিয়তে দেশৰ জনসাধাৰণৰ তেজ বোওৱা সন্ত্ৰাসবাদীসকলৰ বাবে কোনো ঠাই যে নিৰাপদ নহয় সেই কথা প্ৰমাণ কৰা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। দেশত কাইলৈ সংবিধান হত্যা দিৱস পালন কৰা হ'ব।

৩। চৰকাৰে উৎপাদন বৃদ্ধিৰ বাবে পৰহিলৈ এটা কৃষিভিত্তিক প্ৰচাৰ অভিযান আৰম্ভ কৰিব।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইজৰাইল আৰু ইৰাণৰ মাজৰ যুদ্ধ বিৰতি বলবৎ হৈ আছে বুলি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে।

***আৰু***

৫। হেডিংলী টেষ্টত ইংলেণ্ডৰ অপেনাৰদ্বয়ৰ দৃঢ় বেটিঙেৰে ঘৰুৱা দলটো জয়ৰ কঠিন লক্ষ্যৰ ফালে ধাৱমান হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনাইছে যে, ভাৰতীয় নাগৰিকৰ তেজেৰে ৰাঙলি কৰা ভাৰতৰ পবিত্ৰ ভূমি সন্ত্ৰাসবাদীৰ বাবে কেতিয়াও আশ্ৰয়স্থল হ'ব নোৱাৰে আৰু অপাৰেচন সিন্দূৰৰ জৰিয়তে এই ভাষ্য স্পষ্ট ৰূপত দাঙি ধৰা হৈছে। তেওঁ লগতে কয়, যে এই অভিযানৰ জৰিয়তে গোলকীয় পৰ্য্যায়ত ভাৰতৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে মসৃণ আৰু অনমনীয় কাৰ্য্যপন্থা বিশ্ববাসীয়ে ইতিমধ্যে দেখা পাইছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে নতুন দিল্লীত অনুষ্ঠিত আধ্যাত্মিক আৰু নৈতিক আদৰ্শেৰে পূৰ্ণ দুজন মহান নেতা শ্ৰী নাৰায়ণ গুৰু আৰু মহাত্মা গান্ধীৰ কথোপকথনৰ শতবাৰ্ষিকী উদযাপনৰ অনুষ্ঠানত এনেদৰে উল্লেখ কৰে। তেওঁ লগতে দৃঢ়ভাৱে কয়, যে বৰ্তমান সময়ত লোৱা সকলোবোৰ সিদ্ধান্ত দেশবাসীৰ হিত চিন্তি লোৱা হয়। লগতে সামৰিক শক্তিৰ বাবে ভাৰতৰ আন দেশৰ ওপৰত থকা নিৰ্ভৰশীলতাও ক্ৰমাৎ কমি অহাৰ কথা তেওঁ উল্লেখ কৰে। তেওঁ আৰু কয়, যে সামৰিক শক্তিৰ ক্ষেত্ৰত ভাৰত বৰ্তমান স্বনিৰ্ভৰশীল হৈ উঠিছে। অপাৰেচন সিন্দূৰৰ সময়ত মাত্ৰ ২২ মিনিটৰ ভিতৰতে ভাৰতীয় সেনাই নিজ দেশত নিৰ্মিত অস্ত্ৰৰ ব্যৱহাৰেৰে শত্ৰুপক্ষক আত্ম-সমৰ্পণ কৰিবলৈ বাধ্য কৰোৱাৰ ক্ষমতাই এই কথাকে

প্ৰমাণ কৰে। ভাৰতত নিৰ্মিত অস্ত্ৰসমূহে গোলকীয় পৰ্য্যায়ত স্বীকৃতি আৰু প্ৰশংসা লাভ কৰিব বুলিও তেওঁ আস্থা প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কয়, যে দেশৰ প্ৰতিটো আকাংক্ষা পূৰণ কৰিবলৈ প্ৰতিজন ভাৰতীয়ই শ্ৰী নাৰায়ণ গুৰুৰ শিকনিসমূহ গ্ৰহণ কৰা উচিত। তেওঁ লগতে কয়, যে চৰকাৰে এই দিশত সক্ৰিয়ভাৱে কাম কৰি আছে। শ্ৰী নাৰায়ণ গুৰুৰ সৈতে জড়িত তীৰ্থস্থানসমূহক সংযোগ কৰিবৰ বাবে বিকশাই থকা শিৱগিৰি চাৰ্কিটৰ কাম চলি থকাৰ বিষয়েও তেওঁ এইখিনিতে উল্লেখ কৰে। শ্ৰীমোদীয়ে লগতে শ্ৰী নাৰায়ণ গুৰুৰ আশীৰ্বাদ আৰু শিক্ষাই অমৃতকালৰ সময়ছোৱাত দেশক আগবাঢ়ি যোৱাত সহায় কৰিব বুলি আস্থা প্ৰকাশ কৰে। ভাৰতীয়সকলে একত্ৰ হৈ এখন বিকশিত ভাৰতৰ সপোন পূৰ্ণ কৰাত সহায় কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে শ্ৰী নাৰায়ণ গুৰুৰ আদৰ্শসমূহ মানৱতাবাদৰ বাবে সম্পদস্বৰূপ। শতবৰ্ষৰ পূৰ্বে শিৱগিৰি মাটত শ্ৰী নাৰায়ণ গুৰু আৰু মহাত্মা গান্ধীৰ মাজৰ ঐতিহাসিক কথোপকথনে ভাৰতৰ স্বৰাজ আন্দোলনক এক নতুন দিশ প্ৰদান কৰিছিল আৰু তেতিয়াৰ সেই কথোপকথনে বৰ্তমানৰ বিকশিত ভাৰতৰ যাত্ৰাকো অনুপ্ৰাণিত কৰিবলৈ সক্ষম হৈছে।

ooooo

সংবিধান হত্যা দিৱস কাইলৈ পালন কৰা হ'ব। ১৯৭৫ চনৰ ২৫ জুনত সংবিধানক অৱমাননাৰ ঘটনাক সুঁৱৰি এই দিৱস পালন কৰা হয়। এই দিনটোত ভাৰতীয় ইতিহাসৰ সবাতোকৈ ক'লা সময়ৰূপে পৰিচিত জৰুৰীকালীন পৰিস্থিতিৰ বাবে জীয়াতু ভুগিবলগীয়া সকলো লোকলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ১৯৭৫ চনত জৰুৰী অৱস্থাৰ সময়ত অমানৱীয় বেদনা সহিবলগীয়া সকলো লোকৰ অৱদানক এই দিনটোত স্মৰণ কৰা হয়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত কেইটামান বছৰত দেশত খাদ্য প্ৰসংস্কৰণ খণ্ডৰ আমূল পৰিৱৰ্তন হৈছে আৰু ই গ্ৰামাঞ্চলৰ উদ্যমীসকলৰ সৱলীকৰণত উল্লেখনীয় ভূমিকা পালন কৰা বুলি মন্তব্য কৰিছে। খাদ্য প্ৰসংস্কৰণ উদ্যোগ মন্ত্ৰী চিৰাগ পাছোৱানে এখন দৈনিক বাতৰি কাকতত লিখা এটা প্ৰৱন্ধ শ্বেয়াৰ কৰি শ্ৰীমোদীয়ে আজি এইদৰে প্ৰকাশ কৰে। খাদ্য প্ৰসংস্কৰণ উদ্যোগ মন্ত্ৰীগৰাকীয়ে তেওঁৰ প্ৰৱন্ধত প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত ভাৰতত আমূল পৰিৱৰ্তনৰ সূচনা হোৱা বুলি উল্লেখ কৰিছে। প্ৰৱন্ধটোত খাদ্য প্ৰসংস্কৰণ খণ্ডত বিশেষকৈ কৃষি ঔদ্যোগিক ক্ষেত্ৰত সৰ্বাত্মক বিকাশ হোৱা বুলি উল্লেখ কৰা হৈছে।

ooooo

চৰকাৰে কৃষি উৎপাদন বৃদ্ধি কৰিবৰ বাবে অহা বৃহস্পতিবাৰৰ পৰা এটা কৃষিভিত্তিক প্ৰচাৰ অভিযান আৰম্ভ কৰিবলৈ যো-জা চলাইছে। নতুন দিল্লীত এখন সংবাদমেল সম্বোধন কৰি কেন্দ্ৰীয় কৃষি আৰু কৃষক উন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয়, যে মধ্য প্ৰদেশত উৎপাদিত ছয়াবিনেৰে এই প্ৰচাৰ অভিযানৰ আৰম্ভণি কৰা হ'ব। এই প্ৰচাৰ অভিযানত কৃষক, বিজ্ঞানী আৰু কৃষিৰ অংশীদাৰসকলে সমূহীয়াভাৱে আলোচনাত অংশগ্ৰহণ কৰি ছয়াবিনৰ উৎপাদন বৃদ্ধিৰ ওপৰত মতামত আগবঢ়াব বুলিও তেওঁ জানিবলৈ দিয়ে। শ্ৰীচৌহানে লগতে কয়, যে ছয়াবিনৰ পাছতে কপাহ, কুঁহিয়াৰ আৰু তৈলজাতীয় শস্যৰ বীজৰ উৎপাদনৰ ওপৰতো গুৰুত্ব দিয়া হ'ব।

ooooo

নিৰ্বাচন আয়োগে মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনত খেলিমেলি হোৱা বুলি কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে উত্থাপন কৰা অভিযোগ খণ্ডন কৰিছে। আয়োগে কৈছে, যে নিৰ্বাচনৰ গোটেই প্ৰক্ৰিয়া বিকেন্দ্ৰীকৃতভাৱে সম্পন্ন কৰা হৈছে। আয়োগে কয়, যে সংসদে গ্ৰহণ কৰা নিৰ্বাচনী আইন অনুযায়ী ই সকলো নিৰ্বাচন অনুষ্ঠিত কৰে। নিৰ্বাচন প্ৰক্ৰিয়াৰ সৈতে বিভিন্ন ৰাজনৈতিক দলে নিয়োগ কৰা বুথ পৰ্য্যায়ৰ অভিকৰ্তাকে ধৰি হাজাৰ হাজাৰ লোক জড়িত হৈ থাকে বুলি আয়োগে প্ৰকাশ কৰে। আয়োগে লগতে সকলো বিষয় সম্পৰ্কে আলোচনা কৰাৰ বাবে পৰস্পৰৰ বাবে সুবিধাজনক সময়ত বৈঠকত মিলিত হ'বলৈ শ্ৰীগান্ধীক আমন্ত্ৰণ জনায়। ইপিনে, শ্ৰীগান্ধীয়ে সংবাদ মাধ্যমৰ বাতৰিৰ জেৰ টানি মহাৰাষ্ট্ৰ বিধানসভাৰ নিৰ্বাচনত খেলিমেলি হোৱা আৰু মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নবিচৰ সমষ্টিত মাত্ৰ ৫ মাহত ভোটদাতাৰ সংখ্যা ৮ শতাংশ বৃদ্ধি পোৱা বুলি কংগ্ৰেছ নেতাগৰাকীয়ে অভিযোগ তুলিছে। অৱশ্যে, শ্ৰীফাড়নবিচে এই অভিযোগখণ্ডন কৰিছে।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইজৰাইল আৰু ইৰাণৰ মাজৰ যুদ্ধ বিৰতি বলবৎ হৈ আছে বুলি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। শ্ৰীট্ৰাম্পে কয়, যে ইজৰাইলে ইৰাণক আক্ৰমণ নকৰে আৰু সকলো বিমান গৃহ অভিমুখে ৰাওনা হ'ব। শ্ৰীট্ৰাম্পে লগতে যুদ্ধ বিৰতি বলবৎ হৈ থকা বাবে কোনো লোক আহত নহয় বুলি মন্তব্য কৰে। ইয়াৰ পূৰ্বে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিগৰাকীয়ে ইজৰাইল আৰু ইৰাণ উভয়ে যুদ্ধ বিৰতি উলংঘা কৰা বুলি মন্তব্য কৰিছিল।

ইয়াৰ আগেয়ে ইজৰাইল প্ৰতিৰক্ষা বাহিনীয়ে ৰাষ্ট্ৰপতি ট্ৰাম্পে যুদ্ধ বিৰতি ঘোষণা কৰাৰ পাছতো ইজৰাইলে ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰা বুলি দাবী কৰিছে। প্ৰতিৰক্ষা বাহিনীয়ে ইৰাণৰ পৰা নতুনকৈ ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰাৰ ঘটনা ধৰা পৰা আৰু ইজৰাইলৰ উত্তৰ প্ৰান্তত চাইৰেণৰ ধ্বনি বাজি উঠা বুলি কৈছে। ইজৰাইলে ইৰাণৰ সৈতে দ্বিপাক্ষিক যুদ্ধ বিৰতিৰ বাবে সন্মতি প্ৰকাশ কৰাৰ পাছতে এই ঘটনা সংঘটিত হৈছে। ইজৰাইলৰ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, প্ৰতিৰক্ষা মন্ত্ৰী ইজৰাইল কেট্জে ইৰাণ সন্দৰ্ভত আমেৰিকা আৰু কাটাৰৰ মধ্যস্থতাত হোৱা যুদ্ধ বিৰতি উলংঘা কৰাৰ অভিযোগ উত্থাপন কৰাৰ পাছত ৰাজধানী টেহৰাণক লক্ষ্য কৰি তীব্ৰ আক্ৰমণ চলোৱাৰ নিৰ্দেশ দিছে। ইপিনে, ইৰাণৰ সশস্ত্ৰ বাহিনীসমূহৰ জেনেৰেল ষ্টাফে বিগত কেইঘণ্টামানত ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰা বুলি ইজৰাইলে কৰা দাবী নুই কৰিছে। অন্য এক ঘটনাক্ৰমত ইৰাণৰ উপ-বিদেশ মন্ত্ৰীগৰাকীয়ে অঞ্চলটোত উত্তেজনা হ্ৰাস কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা সহায়ৰ বাবে কাটাৰৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছে। ইয়াৰ পূৰ্বে, দিনৰ ভাগত ইজৰাইলৈ ইৰাণৰ সৈতে যুদ্ধ বিৰতিৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে আগবঢ়োৱা প্ৰস্তাৱৰ প্ৰতি সন্মতি প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৰ কাৰ্য্যালয়ৰ তৰফৰ পৰা জাৰি কৰা এটা বিবৃতিত টেহৰাণৰ পাৰমাণৱিক আৰু বেলিষ্টিক ক্ষেপণাস্ত্ৰৰ বিপদাশংকা দূৰ কৰাৰ লক্ষ্যত উপনীত হোৱাৰ পাছত দেশখনে যুদ্ধ বিৰতিৰ বাবে সন্মতি প্ৰকাশ কৰা বুলি উল্লেখ কৰে। বিবৃতিটোত লগতে ইৰাণৰ পাৰমাণৱিক ভাবুকি প্ৰতিহত কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা সমৰ্থন আৰু সহযোগিতাৰ বাবে আমেৰিকাক ধন্যবাদ জ্ঞাপন কৰা হৈছে। নেতান্যাহুৱে কৈছে, যে ইজৰাইলে যুদ্ধ বিৰতি উলংঘনৰ ঘটনাৰ যোগ্য প্ৰত্যুত্তৰ দিব। ইয়াৰ আগেয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কয়, যে ইজৰাইল আৰু ইৰাণৰ মাজত যুদ্ধবিৰতি প্ৰযোজ্য হৈছে। তেওঁ লগতে দুয়োপক্ষকে যুদ্ধ বিৰতি উলংঘা নকৰিবলৈ আহ্বান জনায়।

ooooo

হেডিংলী টেষ্টত ইংলেণ্ডৰ অপেনাৰদ্বয়ৰ দৃঢ় বেটিঙেৰে ঘৰুৱা দলটো জয়ৰ কঠিন লক্ষ্যৰ ফালে ধাৱমান হৈছে। আজি খেলখনৰ পঞ্চম তথা অন্তিম দিনা ইংলেণ্ডে কালি কোনো উইকেট নেহেৰুৱাকৈ সংগ্ৰহ কৰা ২১ ৰানৰ পৰা খেলিবলৈ লৈ ভোজন বিৰতিৰ পৰলৈকে কোনো উইকেটৰ পতন নঘটাকৈ দ্বিতীয় ইনিংছত ১২০ ৰান সংগ্ৰহ কৰে। ভোজন বিৰতিৰ পিছত খেল পুনৰ আৰম্ভ হৈছে আৰু বেন ডাকেটে ১০৩ ৰাণ আৰু জেক ক্ৰলীয়ে ৫৭ কৰি খেলি আছে। ইংলেণ্ডে বাতৰি যুগুতোৱাৰ সময়লৈকে কোনো উইকেট নেহেৰুৱাকৈ ১৭৭ ৰাণ কৰিছে। প্ৰথম ইনিংছত উজ্জীৱিত বলিং প্ৰদৰ্শন কৰা যশপ্ৰীত বুমৰাইও এই দুজন বেটছ্মেনৰ ওপৰত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই। খেলখনৰ পঞ্চম দিনৰ আধাতকৈ বেছি সময় বাকী থকা অৱস্থাত ভাৰতৰ বিৰুদ্ধে জয়লাভ কৰিবলৈ আটাইকেইটা উইকেট হাতত থকা অৱস্থাত ইংলেণ্ডক ১৯৪ ৰাণৰ প্ৰয়োজন আছে।

ooooo

সমাপ্ত